৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) 'চক্ৰধ্বজ সিংহ' নাটকৰ সংলাপ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(খ) অসমীয়া নাট্য সাহিত্যলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(গ) 'কাশীবাসী' গল্পৰ যোগেদি লক্ষ্মীনাথ বেজবৰুৱাৰ বৰ্ণনাশৈলীৰ এটি চমু আভাস দাঙি ধৰা।

(ঘ) 'চক্ৰধ্বজ সিংহ' নাটকৰ চৰিত্ৰ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) 'মোৰ জীৱন সোঁৱৰণ'ৰ প্ৰথম ভাগত প্ৰতিফলিত সমকালীন সমাজ জীৱনৰ এটি আভাস দাঙি ধৰা।

(খ) 'চক্ৰধ্বজ সিংহ' নাটকৰ দোষ-গুণ বিচাৰ কৰি এটা প্ৰবন্ধ যুগুত কৰা।

(গ) 'বীণ ব'ৰাগী' কবিতাটিৰ এটি বৈশিষ্ট্যমূলক আলোচনা যুগুত কৰা।

---



*Total number of printed pages–12*

**63/1 (SEM–6) DSE4/ASMHE 6046**

**2024**

# ASSAMESE

Paper : ASMHE 6046

***(Study on Special Author)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

ক-শাখা বা খ-শাখা *যিকোনো এটা* শাখাৰ উত্তৰ কৰিবা

## ক–শাখা

## (মাধৱ কন্দলী)

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) মাধৱ কন্দলী কোন যুগৰ কবি?

*(i)* প্ৰাক্ শংকৰী যুগ

*(ii)* শংকৰী যুগ

(iii) অৰুণোদয় যুগ

(iv) উত্তৰ শংকৰী যুগ

(খ) মাধৱ কন্দলীক কোনে অপ্ৰমাদী কবি বুলি কৈছে?

(i) মাধৱদেৱ

(ii) অনন্ত কন্দলী

(iii) ৰাম সৰস্বতী

(iv) শংকৰদেৱ

(গ) মাধৱ কন্দলী কোন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

(i) কমতাধিপতি দুৰ্লভ নাৰায়ণ

(ii) ইন্দ্ৰনাৰায়ণ

(iii) বৰাহী ৰজা মহামাণিক্য

(iv) শ্ৰীমন্ত তাম্ৰধ্বজ

(ঘ) কোনে মাধৱ কন্দলীক শংকৰদেৱৰ সুযোগ্য পূৰ্বৱৰ্তী বুলি কৈছে?

(i) ডিম্বেশ্বৰ নেওগ

(ii) সত্যেন্দ্ৰনাথ শৰ্মা

(iii) হৰিনাথ শৰ্মাদলৈ

(iv) মহেশ্বৰ নেওগ



(ঙ) মাধৱ কন্দলীৰ ৰামায়ণৰ সুন্দৰাকাণ্ডত মুঠ কিমানটা অধ্যায় আছে?

(i) ২৬টা

(ii) ৫৭টা

(iii) ৪১টা

(iv) ৩২টা

(চ) বালীৰ ভাৰ্যাৰ নাম কি?

(i) অহল্যা

(ii) মন্দোদৰী

(iii) শূৰ্পনখা

(iv) তাৰা

(ছ) আকাশ মাৰ্গেদি গৈ লংকাত প্ৰবেশ কৰিব পৰা বীৰ গৰাকীৰ নাম কি?

(i) হনুমান

(ii) সুগ্ৰীৱ

(iii) বালী

(iv) অঙ্গদ

(জ) উত্তৰ ভাৰতৰ প্ৰান্তীয় ভাষাত ৰচিত ৰামায়ণৰ ভিতৰত প্ৰাচীন ৰামায়ণখন হ'ল

(i) ৰঘুনাথ মহন্তৰ কথা ৰামায়ণ

(ii) মাধৱ কন্দলীৰ ৰামায়ণ

(iii) কৃত্তিবাসী ৰামায়ণ

(iv) দুৰ্গাবৰৰ গীতি ৰামায়ণ

(ঝ) হনুমানে কোন সময়ত লংকা নগৰীত প্ৰৱেশ কৰিছিল?

(i) ৰাতিপুৱা

(ii) দুপৰীয়া

(iii) গধূলি

(iv) মাজ নিশা

(ঞ) ৰজা দশৰথৰ কেইগৰাকী পত্নী আছিল

(i) দুগৰাকী

(ii) এগৰাকী

(iii) চাৰিগৰাকী

(iv) তিনিগৰাকী

২। চমু উত্তৰ লিখা : *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) মাধৱ কন্দলীয়ে ৰামায়ণত প্ৰয়োগ কৰা দুবিধ ছন্দৰ নাম লিখা।



(খ) হনুমানে কিয় নিজৰ শৰীৰৰ ৰূপ সলোৱাৰ কথা ভাবিছিল?

(গ) অঙ্গদ আৰু সুগ্ৰীৱ কোন?

(ঘ) ৰামচন্দ্ৰৰ পিতৃ মাতৃৰ নাম কি আছিল?

(ঙ) ৰজা দশৰথে পূৰ্বতে প্ৰতিশ্ৰুতি দিয়া বৰ দুটা ল'বলৈ কোনে কাক পৰামৰ্শ দিছিল?

(চ) কোনে বালীক বধ কৰি কাক কিষ্কিন্ধাৰ ৰজা পাৰে?

(ছ) ৰামৰ লগত কোনে কোনে বনবাসলৈ গৈছিল?

৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) ৰামচন্দ্ৰই বনবাসলৈ যাত্ৰা কৰা ছবিখন কবি মাধৱ কন্দলীয়ে অযোধ্যাকাণ্ডত কেনেদৰে অংকন কৰিছে চমুকৈ লিখা।

(খ) কিষ্কিন্ধাকাণ্ডত থকা তাৰা চৰিত্ৰ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(গ) ৰামায়ণৰ সুন্দৰাকাণ্ডত প্ৰয়োগ হোৱা উপমা অলংকাৰ সম্পৰ্কে আলোচনা কৰা।

(ঘ) অযোধ্যাকাণ্ডৰ আলমত চিত্ৰকূট পৰ্বতৰ এটি বৰ্ণনা দাঙি ধৰা।

(ঙ) কবি মাধৱ কন্দলীয়ে ৰামায়ণৰ সুন্দৰাকাণ্ডত লংকা নগৰীৰ বিৱৰণ কেনেদৰে দাঙি ধৰিছে বিচাৰ কৰা।

(চ) অযোধ্যাকাণ্ডৰ সহায়ত ভৰত চৰিত্ৰটোৰ চাৰিত্ৰিক বৈশিষ্ট্য বিচাৰ কৰা।

(ছ) চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰত মাধৱ কন্দলীৰ মৌলিকতা উল্লেখ কৰা।

(জ) বিভীষণ চৰিত্ৰটো সুন্দৰাকাণ্ড ৰামায়ণত কিদৰে ফুটি উঠিছে বিচাৰ কৰা।

(ঝ) কবি মাধৱ কন্দলীৰ চমু পৰিচয় দাঙি ধৰা।

(ঞ) কিষ্কিন্ধাকাণ্ডত কবি মাধৱ কন্দলীৰ মৌলিক প্ৰতিভা কিদৰে ফুটি উঠিছে বিচাৰ কৰা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) মাধৱ কন্দলীৰ সুন্দৰাকাণ্ড ৰামায়ণৰ ৰস বিচাৰ কৰি এটা প্ৰবন্ধ যুগুত কৰা।

(খ) কৈকেয়ী, কুঁজী আৰু কৌশল্যা চৰিত্ৰ কেইটা ৰামায়ণৰ অযোধ্যাকাণ্ডত কিদৰে ফুটি উঠিছে বিচাৰ কৰা।

(গ) ৰামায়ণৰ অযোধ্যাকাণ্ডত অসমীয়া সমাজ জীৱনৰ কোনবোৰ দিশ প্ৰতিফলিত হৈছে আলোচনা কৰা।

(ঘ) ৰামায়ণৰ অযোধ্যাকাণ্ডৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) মাধৱ কন্দলীৰ সাহিত্যপ্ৰতিভা বিচাৰ কৰা।

(খ) অযোধ্যাকাণ্ডত কবি মাধৱ কন্দলীয়ে ৰামৰ চৰিত্ৰটো কেনেদৰে অংকন কৰিছে বিচাৰ কৰা।

(গ) সুন্দৰাকাণ্ডৰ আধাৰত মাধৱ কন্দলীৰ বৰ্ণনা কৌশল আৰু ৰচনাৰীতিৰ আভাস দিয়া।



## খ–শাখা

## (লক্ষ্মীনাথ বেজবৰুৱা)

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) অসমীয়া চুটিগল্পৰ জনক হ'ল

*(i)* শৰৎচন্দ্ৰ গোস্বামী

*(ii)* লক্ষ্মীনাথ বেজবৰুৱা

*(iii)* লক্ষ্মীনাথ ফুকন

*(iv)* লক্ষ্মীধৰ শৰ্মা

(খ) লক্ষ্মীনাথ বেজবৰুৱাক কোনে 'ৰসৰাজ' উপাধিৰে বিভূষিত কৰিছিল?

*(i)* ত্ৰৈলোক্যনাথ গোস্বামী

*(ii)* ৰাধিকা মোহন গোস্বামী

*(iii)* হলীৰাম ডেকা

*(iv)* নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

(গ) 'চক্ৰধ্বজ সিংহ' নাটকখনত কেইটা অংক আছে?

*(i)* ৫টা

*(ii)* ৪টা

*(iii)* ৭টা

*(iv)* ৬টা

(ঘ) লক্ষ্মীনাথ বেজবৰুৱা কোন যুগৰ গল্প লেখক?

(i) আবাহন

(ii) জোনাকী

(iii) অৰুণোদয়

(iv) বামধেনু

(ঙ) ৰামসিংহৰ কটকীজনৰ নাম কি?

(i) গজপুৰীয়া

(ii) মাধৱচৰণ

(iii) পণ্ডিতৰায়

(iv) সিদ্ধিৰাম

(চ) 'মোৰ জীৱন সোঁৱৰণ'ৰ প্ৰথম ভাগটোত থকা অধ্যায়ৰ সংখ্যা হৈছে

(i) ৫টা

(ii) ৭টা

(iii) ৮টা

(iv) ৪টা



(ছ) লক্ষ্মীনাথ বেজবৰুৱাই ইহলীলা সম্বৰণ কৰিছিল

(i) ১৯৩৬ চনত

(ii) ১৯২৯ চনত

(iii) ১৯৬৮ চনত

(iv) ১৯৩৮ চনত

(জ) লক্ষ্মীনাথ বেজবৰুৱাৰ মৰণোত্তৰ ভাৱে প্ৰকাশিত কবিতা পুথিখন হ'ল

(i) পদুমকলি

(ii) প্ৰতিমা

(iii) কদমকলি

(iv) ফুলৰ চানেকি

(ঝ) লক্ষ্মীনাথ বেজবৰুৱাই সম্পাদনা কৰা আলোচনীখনৰ নাম আছিল

(i) জোনাকী

(ii) উষা

(iii) বাঁহী

(iv) চেতনা



Contd.

(ঞ) তলৰ কোনটো লক্ষ্মীনাথ বেজবৰুৱাৰ ছদ্মনাম?

*(i)* ধনবৰকাই

*(ii)* ভোলাই শৰ্মা

*(iii)* গুৰু দত্ত

*(iv)* কৃপাবৰ বৰুৱা

২। চমু উত্তৰ লিখা ঃ ***(যিকোনো পাঁচটা)*** ২×৫=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা দুখন গল্পপুথিৰ নাম লিখা।

(খ) ঐতিহাসিক নাটক বুলিলে কি বুজা? ঐতিহাসিক নাটকৰ ভাগ কেইটা?

(গ) 'বীন বৰাগী' কবিতাত উল্লেখ থকা দুগৰাকী নাৰীৰ নাম লিখা।

(ঘ) চক্ৰধ্বজ সিংহ' নাটকত থকা দুটা ঐতিহাসিক চৰিত্ৰৰ নাম লিখা।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা দুখন ধেমেলীয়া নাটকৰ নাম লিখা।

(চ) অসমৰ জাতীয় সংগীতটোৰ ৰচক কোন আৰু এই সংগীতটো প্ৰথম কোনখন আলোচনীত প্ৰকাশ পাইছিল?

(ছ) ৰামসিংহৰ দুগৰাকী তলতীয়া সেনাপতিৰ নাম লিখা।



৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৬=৩০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ কাব্যপ্ৰতিভা বিচাৰ কৰা।

(খ) 'কাশীবাসী' গল্পটোৰ নামকৰণ সম্পৰ্কে চমুকৈ লিখা।

(গ) 'কাশীবাসী' গল্পত মানৱ উপদ্ৰৱৰ চিত্ৰখন কেনেদৰে ফুটি উঠিছে, বিচাৰ কৰা।

(ঘ) 'চক্ৰধ্বজ সিংহ' নাটকত প্ৰতিফলিত হোৱা হাস্যৰস সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ ৫টা বৈশিষ্ট্য লিখা।

(চ) 'মোৰ জীৱন সোঁৱৰণ'ত লক্ষ্মীনাথ বেজবৰুৱাই তেওঁলোকৰ ঘৰত ভাত খোৱা নিয়ম কেনেদৰে বৰ্ণনা কৰিছে, আলোচনা কৰা।

(ছ) 'মোৰ জীৱন সোঁৱৰণ'ত বেজবৰুৱাই তেওঁৰ জন্ম আৰু শৈশৱ কালৰ বিৱৰণ কেনেদৰে দাঙি ধৰিছে লিখা।

(জ) 'বীন ব'ৰাগী' কবিতাত কবিৰ আশাবাদৰ ভাবধাৰা কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা।

(ঝ) 'বীণ ব'ৰাগী' কবিতাত কবিৰ বিষাদৰ ভাৱধাৰা কেনেদৰে প্ৰকাশ পাইছে বিচাৰ কৰা।

(ঞ) 'মোৰ জীৱন সোঁৱৰণ'ৰ প্ৰথম ভাগৰ ভাষাশৈলী বিচাৰ কৰি এটা প্ৰবন্ধ যুগুত কৰা।